তোমালোকৰ পাত্ৰৰ পৰা যদি কুকুৰে সেৱন কৰে তেন্তে সেই পাত্ৰটো সাতবাৰ ধুই ল'বা।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকৰ পাত্ৰৰ পৰা যদি কুকুৰে সেৱন কৰে তেন্তে সেই পাত্ৰটো সাতবাৰ ধুই ল'বা।" মুছলিমৰ বৰ্ণনাত আছে যে, "প্ৰথমে মাটিৰে ঘঁহিবা।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

যদি কুকুৰে কোনো পাত্ৰত মুখ দিয়ে তেন্তে সেই পাত্ৰটোক সাতবাৰ ধুবলৈ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে নিৰ্দেশ দিছে। প্ৰথমে সেইটোক মাটিৰে ঘঁহিব দিছে, তাৰ পিছত পানীৰে ধুব লাগে। তেতিয়াহে পৰিপূৰ্ণৰূপে অপৱিত্ৰতাৰ পৰা আৰু অনিষ্টকৰ বীজাণুৰ পৰা পৰিষ্কাৰ হ'ব।

http://www.sunnah.global/hadeeth/as/show/3143